জয় আই অসম

# সংযুক্ত মুক্তি বাহিনী, অসম [স্বাধীন]

United Liberation Front of Asom [ULFA-Independent]

JAI AII ASOM

Ref. IPOU/০১১অ/১৫ Date. ১৮/০৫/২০১৫

প্ৰতি,

সন্মানীয় সম্পাদক ডাঙৰীয়া,

বৈপ্লবিক অভিনন্দন ও সংগ্ৰামী শুভেচ্ছা গ্ৰহণ কৰিব। আপোনাৰ বহুল প্ৰচাৰিত সংবাদ মাধ্যমলৈ “সংযুক্ত মুক্তি বাহিনী, অসম [স্বাধীন]”ৰ তৰফৰ পৰা তলৰ বিবৃতিটো প্ৰকাশ/সম্প্ৰচাৰ কৰিবৰ বাবে প্ৰেৰণ কৰিছোঁ। আশা ৰাখিছোঁ হুবহু প্ৰকাশ কৰি কৃতাৰ্থ কৰিব।

পুনৰ শুভেচ্ছাৰে

ভৱদীয়

১৮/০৫/২০১৫

কেপ্টেইন অৰুণোদয় অসম

সহকাৰী তথ্য ও প্ৰচাৰ সম্পাদক

সংযুক্ত মুক্তি বাহিনী, অসম[স্বাধীন]

## বিবৃতি

অসমৰ মঞ্চ বিহুক লৈ একাংশ নিচাসক্ত গায়ক-গায়িকা তথা দৰ্শকে যি দুস্কৃতিৰ পোহাৰ মেলিছে তাক প্ৰতিহত কৰি মঞ্চ বিহুৰ ঐতিহ্য ও দৰ্শন সুৰক্ষিত কৰিবলৈ গুৱাহাটীৰ বিহু উদযাপন সমিতিসমূহৰ যৌথ মঞ্চ “সদৌ গুৱাহাটী বিহু সমন্বয়ৰক্ষী সমিতি”য়ে মঞ্চত নিচাসক্ত শিল্পী(?)ক নিষিদ্ধ কৰাৰ লগতে, মঞ্চত অনুষ্ঠান পৰিৱেশনৰ সময়চোৰাত পৰিৱেশকৰ ব্যক্তিগত আচৰণ ও সাজপাৰৰ ক্ষেত্ৰতো কিছু আচৰণবিধি তৈয়াৰ কৰা তথা অনান্য বাস্তৱমুখী প্ৰস্তাৱক “আমি সংযুক্ত মুক্তি বাহিনী, অসম[স্বাধীন]” সংগঠনে আদৰণি জনোৱাৰ লগতে এই প্ৰচেষ্টা অতি সময়োপযোগী বুলি বিবেচনা কৰিছোঁ। তেখেতসকলৰ এহ মহৎ উদ্যোগে সমগ্ৰ অসমৰ মঞ্চ বিহুকে সাঙুৰি লৈ বিহুৰ মৌলিকতা সংৰক্ষণৰ যোগেদি অসমৰ জাতীয় সাংস্কৃতিক দুস্কৃতিৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হ’ব বুলি আমি আশাবাদী।

অসমৰ জাতীয় উৎসৱৰ সময়চোৰাত মঞ্চ বিহুৰ নামত একাংশ অনুষ্ঠান পৰিৱেশক ও দৰ্শকৰ উদ্ভণ্ডালি আমি “সংযুক্ত মুক্তি বাহিনী, অসম[স্বাধীন]” সংগঠনে অতি সক্ৰিয়তা অথচ সংযমতাৰে নিৰীক্ষণ কৰিছোঁ। এই ক্ষেত্ৰত অসমৰ তথাকথিত জাতীয় দল-সংগঠনসমূহৰ নীৰৱ কিন্তু সুবিধাবাদী ভূমিকা লক্ষণীয়।